# অসমৰ মুখা শিল্প

সমগ্ৰ ভাৰতবৰ্ষতে মধ্যযুগৰ বৈষ্ণৱ ভক্তিধৰ্মৰ বিশিষ্টতাই যিদৰে একোটি স্থানীয় ৰূপ ল'লে, শংকৰদেৱ প্ৰবৰ্তিত নৱবৈষ্ণৱ ধৰ্মই এই আন্দোলনক অসমত এটি স্থানীয় ৰূপ দান কৰিলে। এহাতে ভাৰতীয় দৰ্শন তথা ধৰ্মীয় ধাৰাৰ লগত আৰু আনহাতে ভাৰতীয় সাহিত্য, সংগীত, চিত্ৰ, নৃত্য, বাদ্য, অভিনয়, ভাস্কৰ্য, শিল্পৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাধাৰণ মানুহৰ মন আৰু প্ৰতিভাৰ সংযোগ সাধন কৰিলে।

নৃত্য, গীত আৰু ভাওনাৰ লগত জড়িত আহাৰ্যসমূহ নিৰ্মাণ কৰি লোৱাৰ বাবেও এই আন্দোলনে অনুগামীসকলক প্ৰশিক্ষিত কৰি তুলিলে। এইক্ষেত্ৰত ভাওনাৰ বিভিন্ন চৰিত্ৰৰ ৰূপায়ণৰ বাবে ব্যৱহাৰ কৰা মুখাৰ কথা উল্লেখযোগ্য। বাঁহ, বেত, কাঠ আৰু কাপোৰেৰে নিৰ্মিত মুখাশিল্প অসমৰ এটি উল্লেখযোগ্য লোক-শিল্প। অঙ্কীয়া নাট-ভাওনাৰ অভিনয়ত মুখাৰ ব্যৱহাৰ কৰা হয়। মনকৰিবলগীয়া যে বঙালী যাত্ৰা আদিত মুখা পিন্ধি কোনো ভাৱৰীয়া নোলায়। অসমলৈ জাপ মাৰি এই প্ৰথা ক'ৰ পৰা আহিবৰ সম্ভাৱনা এইটো ভাবিবলগীয়া কথা। দৰঙৰ খুলীয়া ভাউৰীয়া আৰু গোৱালপাৰাৰ ৰাভাসকলে ভাৰীগানত ব্যৱহাৰ কৰা মুখাসমূহৰ উপৰিও সত্ৰৰ ভাওনাত ব্যৱহাৰ কৰা মুখাসমূহো কাঠেৰে নিৰ্মিত। অৱশ্যে বাঁহেৰে সজা মুখাও নথকা নহয়। এই মুখাসমূহ কলাগুণ বিশিষ্ট।

পূজা-পাতল আৰু উৎসৱ-অনুষ্ঠানত অতি প্ৰাচীন কালৰে পৰাই অসমত বাঁহ, বেত, কাঠ, কুঁহিলা, পাটী দৈ আদিৰ সহায়ত অসমৰ লোক শিল্পীয়ে মুখা তৈয়াৰ কৰি আহিছে। মুখা তৈয়াৰ কৰিবলৈ জাতিবাঁহৰ টুকুৰা, বেত, গোবৰ সনা আলতীয়া মাটি, কাপোৰ অদিৰ প্ৰয়োজন। এইবোৰৰ সহায়ত নাটকৰ বিভিন্ন চৰিত্ৰৰ চেহেৰাৰ

আকৃতিৰ মুখা প্ৰস্তুত কৰা হয়। তাৰ পিছত মুখাৰ চৰিত্ৰ অনুযায়ী হেঙুল, হাইতাল, ভিন ভিন ৰঙৰ মাটি, মজাঠি, হালধি, বম, আচু কাঠ, জামু, পলাশ, শিলিখা, জেতুকা আদিৰ পৰা ৰং তৈয়াৰ কৰি মুখাত ৰহন সানি অংকন কৰা হয়। মুখাসমূহৰ অবয়বটো প্ৰয়োজন অনুসৰি কিছু মসৃণ কৰি চৰিত্ৰ অনুসৰি ৰং বোলোৱা হয়। সত্ৰীয়া মুখাশিল্পত ব্যৱহৃত ৰঙৰ বেলিকা সাধাৰণীকৰণ কৰা সহজ নহয়। শিল্পীসকলে চৰিত্ৰৰ স্বৰূপ অনুসৰি  মুখাসমূহৰ লগত খাপ খুৱাই নানা ৰঙৰ সমাহাৰ ঘটায়। সাধাৰণতে দেৱ–দেৱতাৰ শান্ত সৌম্য মুখাৰ বাবে পীতবৰ্ণ, কিম্ভুত-কিমাকাৰ অসুৰ আদি চৰিত্ৰৰ বাবে ডাঠ নীলা বৰ্ণ, ছাইবৰ্ণ বা  ৰক্তবৰ্ণ, নৰসিংহৰ মুখাৰ বাবে শুভ্ৰ বৰ্ণ, ৰজা-মহাৰজাৰ মুখাৰ ক্ষেত্ৰত কমলাবুলীয়া ৰং আদি সততে অসমৰ মুখাশিল্পৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। সাম্প্ৰতিক সময়ত অসমৰ মুখাশিল্পত নানা নতুন কাৰিকৰী কলা-কৌশলৰ প্ৰয়োগৰ ফলত অসমৰ সত্ৰীয়া মুখা শিল্পই এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে।

ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ পৌৰাণিক কাহিনী লৈ কৰা নাট ৰচনা কৰা নাট-ভাওনা, ৰাস উৎসৱ আদিত নানান মুখাৰ ব্যৱহাৰ হৈ আহিছে। এইবোৰ মুখা আমাৰ গ্ৰাম্য শিল্পীসকলৰ অনন্য লোক-কলা বুলিব  পাৰি। এনেবোৰ লোক- কলা কেৱল অসমতেই নহয় ভাৰতৰ উত্তৰপ্ৰদেশ, বিহাৰ, পশ্চিমবঙ্গ, মধ্যপ্ৰদেশ আদি ঠাইতো এনেবোৰ লোক কলাৰ প্ৰচলন প্ৰাচীন কালৰে পৰাই চলি আহিছে। মুখাবোৰৰ ভিতৰত গৰুড় পক্ষীৰ মুখা, বকাসুৰৰ মুখা, দহমূৰীয়া ৰাৱণৰ মুখা, গণেশৰ মুখা, আৰু বিভিন্ন মুখা--- ভাওনা, অংকীয়া নাট আদিত ব্যৱহাৰ কৰা হয়। মুখা আৰু পুতলাবোৰে নান্দনিক সৌন্দৰ্য্য প্ৰকাশ কৰি মানুহৰ মনত আনন্দ দি আহিছে।

মুখাশিল্পৰ ব্যৱহাৰ কিমান প্ৰাচীন- সেয়া নিৰ্দিষ্টকৈ নিৰূপণ কৰিব নোৱাৰি। আদিম অধিবাসীয়ে জন্তু চিকাৰ, বা হিংস্ৰ জন্তুৰ পৰা হাত সাৰিবলৈ মুখাৰ ব্যৱহাৰ কৰিছিল যেন অনুমান হয়। সভ্যতাৰ ক্ৰমগতিত আদিম মানৱৰ পৰিৱৰ্তনৰ লগে লগে মুখাও সংস্কৃতিৰ অংগ হৈ পৰিল। ভাৰতবৰ্ষৰ ক্ষেত্ৰত কেইটামান লোক নাট্যানুষ্ঠান, যেনে: তামিলনাডুৰ ভাগৱত মেলা, কেৰেলাৰ মালৱাৰ অঞ্চলৰ কথাকলি নৃত্য, ঝাৰখণ্ডৰ চৰাইকেল্লা ছৌ, উৰিষ্যাৰ ময়ূৰভঞ্জ ছৌ, কৰ্ণাটকৰ যক্ষগান, উত্তৰ প্ৰদেশৰ ৰামলীলা আদি অনুষ্ঠানত মুখাৰ ব্যৱহাৰ বৰ্তমানো প্ৰচলিত। অসমৰ মুখাশিল্পৰ বিকাশৰ উমান চৰিত পুথিত পোৱা যায়। শংকৰদেৱে প্ৰথম চিহ্নযাত্ৰাত মুখাশিল্পৰ ব্যৱহাৰ কৰাৰ পিছত ই বিস্তৃতি লাভ কৰে।। সেই সময়ত মুখা সাধাৰণতে তামোলৰ ঢকুৱা, গছৰ বাকলি, কাঠ, কুঁহিলা আৰু বাঁহৰ কাঠিৰে নিৰ্মাণ হৈছিল। মুখাশিল্প ঘাইকৈ সত্ৰসমূহৰ জৰিয়তে আজিও পৰম্পৰাগতভাৱে চলি আহিছে।

মুখা শব্দৰ লগত ছোঁ যোগ কৰি 'মুখা-ছোঁ' বোলা হয়। এই মুখা ছোঁক সাধাৰণতে দুই ভাগত ভগাব পাৰি: ক) লৌকিক (জীৱ-জন্তু, মানুহ আদি প্ৰাকৃতিকভাৱে তৈয়াৰী), আৰু খ) অলৌকিক (শাস্ত্ৰত বা কিতাপত বৰ্ণিত অস্বাভাৱিক) যেনে ৰাৱণ, নৰসিংহ। অসমৰ নৱ-বৈষ্ণৱ পৰম্পৰাত ব্যৱহৃত মুখাসমূহক আকৃতি আৰু গঠন- প্ৰণালীৰ দিশৰপৰা তিনিটা মূল ভাগত বিভক্ত কৰা হয়৷ - ১) মুখ মুখা বা মূৰ মুখা, ২) লোটোকাৰি বা লুটুকাই মুখা আৰু ৩) বৰমুখা। আপেক্ষিকভাৱে ডাঙৰ, শিৰ অংশৰ লগতে গা অংশও সন্নিবিষ্ট হৈ থকা বৃহৎ কলেৱৰৰ মুখাক বৰ মুখা বা ছোঁ-মুখা বোলা হয়। এই মুখাৰ ক্ষেত্ৰত সাধাৰণতে গা অংশ আৰু শিৰ অংশ বেলেগে বেলেগে সাজি উলিয়াই পাছত মুখাৰ গা- অংশৰ ওপৰত শিৰ অংশ সংস্থাপিত কৰা হয়। অৱশ্যে কোনো কোনো মুখাৰ ক্ষেত্ৰত এনেদৰে ভাগ ভাগকৈ নাসাজি গা আৰু শিৰ অংশ একত্ৰিত

কৰিও গণ মুখা তৈয়াৰ কৰি উলিওৱা হয়। এই বৰ মুখাৰ ভিতৰত ভাবৰীয়াজন সোমাই লৈ মুখাভাগ নিয়ন্ত্ৰণ কৰি ভাওনাৰ মজিয়াত প্ৰবেশ কৰে। আনহাতে আপেক্ষিকভাৱে বৰমুখাতকৈ সৰু এবিধ মুখা হৈছে লোটোকৰি মুখা। এই মুখাৰ অংশসমূহো বেলেগে বেলেগে তৈয়াৰ কৰি ভাৱৰীয়াজনে তাক পৰিধান কৰি ইচ্ছামতে পৰিচালনা কৰিব পাৰে। আনহাতে মূৰ বা মুখখন ঢকাকৈ তৈয়াৰ কৰা এবিধ মুখা হৈছে মুখ মুখা। এই মুখাও ভাৱৰীয়াসকলে ভাওনাত বহলভাৱে ব্যৱহাৰ কৰি আহিছে।

অসমত বিভিন্ন জনজাতীয় অনুষ্ঠান, যেনে: কালীচণ্ডীৰ নাচ, বহুৱা-নাচ, হগ্ৰানৃত্য আদিত পুৰণি কালৰ পৰাই বিভিন্ন ধৰণৰ মুখাৰ ব্যৱহাৰ হৈ আহিছিল। এই মুখাসমূহ সাধাৰণতে কাঠ, কুহিলা অথবা বাঁহৰ কাঠীৰে মিহিকৈ বৈ কাপোৰ তথা বিচিত্ৰ ৰঙেৰে অলংকৰণ কৰি প্ৰস্তুত কৰা হৈছিল। শঙ্কৰদেৱে অসমৰ এই মুখা পৰম্পৰাক এক নতুন ৰূপ প্ৰদান কৰি অঙ্কীয়া নাটৰ চৰিত্ৰসমূহৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰি উলিয়ালে। শঙ্কৰদেৱে ভাৱৰীয়াসকলৰ বাবে নিজহাতে বিভিন্ন মুখা প্ৰস্তুত কৰি ভাওনা-সংস্কৃতিৰ লগত মুখাশিল্পক সংযোগ কৰি এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল বুলি প্ৰবাদ প্ৰচলিত। পৰৱৰ্তী সময়ত সত্ৰসমূহৰ মাধ্যমেৰে এই শিল্পই এক বিকশিত ৰূপ লাভ কৰিবলৈ সক্ষম হয়। মুখাশিল্পৰ ক্ষেত্ৰত বিশেষভাবে আগবঢ়া এখন সত্ৰ হৈছে মাজুলিৰ চামগুৰি সত্ৰ।

বৰ্তমান নানান আধুনিক ৰং, উন্নত মানৰ সা-সঁজুলি আদিৰ ব্যৱহাৰ কৰি মুখা নিৰ্মাণ কৰা হয়। আধুনিক কালত মুখাৰ ব্যৱহাৰ কেৱল নাট-ভাওনাতে সীমাবদ্ধ হৈ থকা নাই; বিয়া, জন্মদিন আদিকে ধৰি বিভিন্ন আনন্দ উৎসৱ বা পাৰ্টিত পিন্ধা, উপহাৰ দিয়া, উৎসৱ-পাৰ্বণ, সভা-ঘৰ সজোৱাত ব্যৱহাৰ হোৱা দেখা যায়।

-*-*-*-*-*-*

**Study material ----**

Complied and Edited by:

**Rukunuddin Ahmed**

Assistant Professor , Deptt. Of Assamese